# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-01-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

---

১।	কাইলৈৰ পৰা অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশন। বিভিন্ন জিলাৰ প্ৰতিনিধিক আদৰিবলৈ আয়োজক সমিতি সাজু।

২।	অসম সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান **সদস্য মহীয়ান** থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ হাজৰিকাক আনুষ্ঠানিকভাৱে প্ৰদান।

৩।	সমগ্ৰ দেশৰ লগতে অসমতো জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰীয় ছহিদ দিৱস পালন।

৪।	ৰাজ্যজুৰি ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস উদযাপন। ১৩ ফেব্ৰুৱাৰীলৈ কুষ্ঠৰোগৰ বিৰুদ্ধে স্বাস্থ্য বিভাগৰ সজাগতা অভিযান।

**আৰু**

৫।	উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ উশ্বু খেলুৱৈ ছনমা ব্ৰহ্মৰ ৰূপৰ পদক অৰ্জন। ফুটবলত অসমৰ জয়েৰে অভিযান আৰম্ভ।

ooooo

বজালী জিলাৰ পাঠশালাত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই অধিবেশনৰ কেন্দ্ৰ কৰি সমগ্ৰ জিলাখনতে উৎসাহ উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। অধিবেশনৰ আদৰণি সমিতিয়ে সাহিত্য সভাৰ এই অধিবেশনৰ অংশ হিচাপে বজালী শীৰ্ষক এটি গীত মুকলি কৰা হৈছে। ড০ বিনীতা বৰা দেৱচৌধুৰীৰ কথা আৰু অৰূপ জ্যোতি বৰুৱাৰ সুৰ আৰু সংগীত পৰিচালনাৰে এই গীতটিয়ে বজালীৰ সংস্কৃতি, ইতিহাস আৰু ঐতিহ্যক বহুমাত্ৰিক ৰূপত তুলি ধৰিছে।

ঃগীতঃ

কাইলৈ পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰিব আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰিব। পুৱা ৯ বজাত পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰিব।

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত উলহ-মালহৰ পৰিৱেশৰ সৃষ্টি হৈছে। সাহিত্য অনুৰাগী তথা অন্যান্য অতিথিসকলক আদৰাৰ বাবে পাঠশালাবাসী সাজু হৈছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকী ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী, খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে। অধিৱেশনথলীত ৭৭ বৰ্গ ফুটৰ বৃহৎ জাপি সাজি উলিওৱা হৈছে। এই জাপিটো চোৱাৰ বাবে ইতিমধ্যে অধিবেশনথলীলৈ অগণন লোকৰ সমাগম হৈছে। এই অধিবেশনত সাহিত্য ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ১০০তকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাহিত্য সভালৈ গৈ গ্ৰন্থ ক্ৰয় কৰাৰ বাবে মন্ত্ৰী, বিধায়ক আৰু চৰকাৰী বিষয়াসকলক ইতিপূৰ্বে আহ্বান জনাইছে।

ooooo

অসম সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান সদস্য মহীয়ানৰ লগতে সাহিত্যাচাৰ্য সন্মান আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভাই সাহিত্যিক তথা অধ্যাপক থানেশ্বৰ শৰ্মা আৰু অধ্যাপক মহেশ্বৰ হাজৰিকাক সদস্য মহীয়ান সন্মান প্ৰদান কৰে। এই অনুষ্ঠানত সাহিত্যিক আনন্দ বৰমুদৈ, অধ্যাপক ইদ্ৰিছ আলী, অধ্যাপিকা কৰবী ডেকা হাজৰিকা আৰু অধ্যাপক ভীমকান্ত বৰুৱাক সাহিত্যাচাৰ্য সন্মান প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে বিশিষ্ট কবি আনিছ উজ জামানক অসম সাহিত্য সভাৰ জাতীয় কবি সন্মান প্ৰদান কৰা হয়।

ooooo

সমগ্ৰ দেশৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যু দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় ছহিদ দিৱস উপলক্ষে জনতা ভৱনত আয়োজিত কাৰ্যসূচীত ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মাৰ লগতে ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিবসহ শীৰ্ষ আমোলা উপস্থিত থাকে। অসম প্ৰদেশ কংগ্ৰেছেও গুৱাহাটীৰ ৰাজীৱ ভৱনত ৰাষ্ট্ৰীয় ছহিদ দিৱস পালন কৰে। এন এছ ইউ আইৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দিগ্বিজয় সিঙৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰা, জ্যেষ্ঠ নেতা ৰিপুণ বৰা, মীৰা বৰঠাকুৰ আৰু বিধায়ক নন্দিতা দাস উপস্থিত থাকে। অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সহযোগত আজি কামৰূপ মহানগৰ জিলাৰ ৰূপনগৰত ৰাষ্ট্ৰীয় ছহিদ দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলন আৰু মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পাছতে এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়।

ooooo

ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাসমূহত আজিৰে পৰা ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। মাজুলী জিলাৰ গড়মূৰ পীতাম্বৰ দেৱ জিলা চিকিৎসালয়ৰ নাৰ্ছিং স্কুলত ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস

উদযাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ লগতে জিলা চিকিৎসালয়ৰ উপ-অধীক্ষক, স্বাস্থ্য বিষয়াৰ লগতে আশাকৰ্মী আৰু নাৰ্চিং স্কুলৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। অহা ১৩ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই বিশেষ অভিযানত মাজুলী জিলাৰ স্বাস্থ্য বিভাগৰ স্বাস্থ্যকৰ্মী, আশাকৰ্মীসকলে ঘৰে ঘৰে গৈ কুষ্ঠৰোগ সন্দৰ্ভত জনসাধাৰণক সজাগতা আৰু স্বাস্থ্য পৰীক্ষা কৰিব। কাৰ্বি আংলং জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক আৰু জিলা কুষ্ঠ বিভাগৰ উদ্যোগত হাওৰাঘাটত ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়োজিত বিশেষ সভাত কুষ্ঠ ৰোগৰ সম্পৰ্কে থকা ভুল ধাৰণাসমূহ নিৰ্মূলৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীতো ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস আয়োজিত হৈছে। জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত সংবাদমেলত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মিনহাজ চৌধুৰীয়ে ৰূপায়ণ কৰিবলগীয়া কাৰ্যসূচীৰ বিষয়ে সদৰি কৰে। মৰিগাঁও জিলাতো ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস পালন কৰা হয়।

ooooo

কামৰূপ মহানগৰ জিলাৰ বিভিন্ন মাধ্যমিক বিদ্যালয়ৰ পৰা কাইলৈ অৱসৰ গ্ৰহণ কৰিবলগীয়া প্ৰধান শিক্ষক, বিষয় শিক্ষক, সহকাৰী শিক্ষক তথা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীকে ধৰি মুঠ ১৯ গৰাকীক আজি পেঞ্চন সম্বন্ধীয় প্ৰয়োজনীয় নথি-পত্ৰসমূহ প্ৰদান কৰা হয়। গুৱাহাটীৰ পাণবজাৰত আয়োজিত অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে অৱসৰ ল'বলগীয়া আটাইগৰাকী শিক্ষক-কৰ্মচাৰীক এই নথি-পত্ৰসমূহ প্ৰদান কৰে। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক গোবিন্দ চন্দ্ৰ কলিতা উপস্থিত থাকে।

ooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে আজি শ্ৰীভূমি জিলাৰ অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। কৰিমগঞ্জ অসামৰিক চিকিৎসালয়খন পৰিদৰ্শনৰ অন্তত মন্ত্ৰী শ্ৰীসিংহলে জিলা আয়ুক্তৰ কাৰ্যালয়ত স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জিলাখনত মাতৃ আৰু শিশুৰ মৃত্যু বিষয়টো বৈঠকত গুৰুত্বসহকাৰে আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে এনে মৃত্যুৰ কাৰণ শীঘ্ৰে অৱগত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক প্ৰতিটো স্বাস্থ্যসেৱা এলেকা নিয়মীয়াকৈ পৰিদৰ্শন কৰি এইক্ষেত্ৰত সজাগ হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে মাতৃ মন্দিৰ গঠনৰো পৰামৰ্শ আগবঢ়ায়। লোকনিৰ্মাণ বিভাগে জিলাখনৰ স্বাস্থ্য বিভাগৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে বৰ্তমান নিৰ্মাণ কৰি থকা ভৱনসমূহৰ অগ্ৰগতিৰ বিষয়ে অনুসন্ধান আৰু পৰ্যালোচনা কৰিবলৈ মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত মন্ত্ৰী কৃষ্ণেন্দু পাল, দক্ষিণ কৰিমগঞ্জৰ বিধায়ক সিদ্দিক আহমেদ, জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীৰ লগতে স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়া উপস্থিত থাকে।

ooooo

যোৱা ২৫ জানুৱাৰীৰ নিশা আমাৰ কেন্দ্ৰৰ দৃষ্টিপাতত প্ৰচাৰিত এই বছৰৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা সংক্ৰান্তিয় বিশেষ আলোচনাৰ অনুষ্ঠানটো আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা কাইলৈ দিনৰ ১১ বজাত পুনৰ প্ৰচাৰৰ দিহা কৰা হৈছে। শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মনত উদ্ৰেক হোৱা ভালেমান বিষয় সন্দৰ্ভত এই অনুষ্ঠানত মনোজ্ঞ আলোচনা প্ৰচাৰিত হৈছিল। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ

মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰা এই অনুষ্ঠানটোত ভাগ লৈছিল ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ মণ্ডল ১-ৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু মণ্ডল ২-ৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে। এই অনুষ্ঠান মিডিয়াম ৱেভৰ ৫২৯.১ মিটাৰ অৰ্থাৎ ৫৬৭ কিলোহাৰ্টজ আৰু এফ এম বেণ্ডৰ ১০১.৩ মেগাহাৰ্টজত শুনিবলৈ পাব। ৪৩ মিনিটৰ এই অনুষ্ঠান নিউজ অন এয়াৰ এপতো শ্ৰোতাসকলে শুনিবলৈ পাব।

ooooo

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ৰাজ্যৰ আবকাৰি বিভাগৰ সচিব ইন্দ্ৰেশ্বৰ কলিতাক বিশেষ ন্যায়াধীশৰ আদালতে দুদিনৰ বাবে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জিম্মালৈ প্ৰেৰণ কৰিছে। উপাৰ্জনতকৈ ৯৫ শতাংশৰো অধিক সা-সম্পত্তি অৰ্জনৰ অভিযোগত তদাৰকী কোষে অভিযুক্ত কলিতাক কালি গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে আজি সংস্থাটোৱে অভিযুক্তজনক বিশেষ ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱাই সোধা-পোছাৰ বাবে তেওঁক জিম্মাত বিচাৰে। এই অনুসৰি আদালতে তেওঁক দুদিনৰ বাবে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জিম্মালৈ প্ৰেৰণ কৰে।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অমৃত স্নানত অংশ ল'বলৈ যোৱা তিনিচুকীয়া জিলাৰ দুগৰাকী মহিলা সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত তিনিচুকীয়া আৰক্ষী আৰু অসম আৰক্ষীয়ে উত্তৰ প্ৰদেশ আৰক্ষীৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে কালি মেলাথলীত পদপিষ্ট হৈ অসমৰ এগৰাকী ব্যক্তিৰ লগতে ৩০ গৰাকীৰো অধিক ব্যক্তি নিহত হৈছিল। মহাকুম্ভ মেলাৰ মৌনী অমাৱস্যাৰ নিশা গংগাৰ ত্ৰিবেণী সংগমস্থলীত পূণ্যস্নান কৰিবলৈ গৈ পদপিষ্ট হৈ প্ৰাণ হেৰুৱাবলগীয়া হাইলাকান্দিৰ নীতি ৰঞ্জন পাল পেচাত এগৰাকী ব্যৱসায়ী আছিল। মেলাথলীত পদপিষ্ট হৈ আহত পালক সংকটজনক অৱস্থাত উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ আৰক্ষীয়ে উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। অসম চৰকাৰে পালৰ পৰিয়াললৈ সমবেদনা জনাইছে আৰু ৫ লাখ টকাৰ আৰ্থিক ক্ষতিপূৰণ দিয়াৰো আশ্বাস দিছে।

ooooo

স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী এন চি চিয়ে আজি কটন বিশ্ববিদ্যালয়ত যুৱ অংশগ্ৰহণ প্ৰকল্প শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, এন চি চিৰ উত্তৰ পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰধান সেনাবাহিনীৰ পদকপ্ৰাপ্ত মেজৰ জেনেৰেল গগনদীপকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ৫০০ৰো অধিক এন চি চি সদস্যই অংশগ্ৰহণ কৰে। পৰিস্কাৰ-পৰিচ্ছন্নতাক লৈ একাংশ লোকৰ অভ্যাস নাইবা আচৰণগত পৰিৱৰ্তনৰ সংশোধন কৰাৰ বাবে স্বচ্ছ ভাৰত অভিযানৰ অধীনত এই সজাগতামূলক কাৰ্যসূচী লোৱা হৈছে।

ooooo

পদ্মশ্ৰী সন্মানেৰে বিভূষিত সুৱদী কণ্ঠশিল্পী দীপালি বৰঠাকুৰৰ আজি ৮৪ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অনুৰাগীসকলে শ্ৰদ্ধা জ্ঞাপন কৰিছে। কোনো কোনো স্থানত শিল্পীগৰাকীয়ে কণ্ঠদান কৰা

গীতৰ প্ৰতিযোগিতা আৰু সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। ১৯৪১ চনৰ ৩০ জানুৱাৰীত তেতিয়াৰ শিৱসাগৰ জিলাৰ সোণাৰিৰ নীলমণি বাগানত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে বহু কালজয়ী গীতেৰে অসমীয়া সংগীতৰ জগতখন সমৃদ্ধ কৰি থৈ গৈছে। শিল্পীগৰাকীয়ে ১৯৪৭ চনত মইনা মেলৰ যোগেদি গায়িকা হিচাপে আত্মপ্ৰকাশ কৰিছিল। পাছলৈ তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰত সংগীত পৰিবেশন কৰি জনপ্ৰিয় হৈ পৰে। ১৯৫৯ চনত ক্ষীৰদা কান্ত বিষয়াৰ কথা আৰু সুৰ তথা লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাৰে মুক্তি লাভ কৰা লাচিত বৰফুকন চলচ্চিত্ৰত প্ৰথমবাৰৰ বাবে গীত পৰিবেশন কৰা শিল্পীগৰাকীৰ কণ্ঠৰ এমুঠি সুৰীয়া গীতে শ্ৰোতাৰ হৃদয়ত নজহা-নপমাকৈ প্ৰভাৱ বিস্তাৰ কৰি ৰাখিছে। স্নায়ুৰ এটা জটিল ৰোগত আক্ৰান্ত হৈ অসুস্থ হৈ পৰা সত্বেও তেওঁৰ গীতসমূহে অনুৰাগীসকলৰ হৃদয় সদায়েই স্পৰ্শ কৰে। শিল্পীগৰাকীয়ে ১৯৯৮ চনত পদ্মশ্ৰী সন্মান আৰু ২০১০ চনত শিল্পী বঁটা লাভ কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে নিভাজ গ্ৰাম্য ছবিক তুলি ধৰা সুললিত কণ্ঠৰে শিল্পীগৰাকীৰ গীতসমূহে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অনুৰাগীৰ সৃষ্টি কৰিছে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাইও আজি শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

অসম চৰকাৰে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানটিৰ বাবে জিলাই জিলাই প্ৰস্তুতি চলি আছে। ঝুমুইৰ বিনন্দিনী শীৰ্ষক এই অনুষ্ঠানৰ বাবে যোৰহাট জিলাত ব্যাপক প্ৰস্তুতি চলি আছে। জিলাখনৰ মেলেং চাহ বাগিচাৰ ষ্টেডিয়ামত ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই প্ৰশিক্ষণৰ কাইলৈ সামৰণি পৰিব। বহু শিল্পীয়ে এই অনুষ্ঠানত অংশ লৈ ঝুমুইৰ বিনন্দিনী অনুষ্ঠানৰ বাবে নিজক সাজু কৰি তুলিছে।

ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাতো ঝুমুইৰ বিনন্দিনী অনুষ্ঠানৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী অব্যাহত আছে। কাইলৈ সামৰণি পৰিবলগীয়া এই কাৰ্যসূচীত ভালেসংখ্যক শিল্পীয়ে অংশ লৈছে। যোৱা ২৮ জানুৱাৰীত চাপৰৰ বীৰছা মুণ্ডা ষ্টেডিয়ামত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছিল।

০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত উশ্বুৰ জৰিয়তে অসমে প্ৰথমটো পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। উশ্বু খেলুৱৈ ছনমা ব্ৰহ্মই অসমক ৰূপৰ পদক উপহাৰ দিয়ে। ইপিনে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ফুটবলত অসমে জয়েৰে অভিযান আৰম্ভ কৰিছে। আজি অনুষ্ঠিত গ্ৰুপৰ খেলত অসমে শক্তিশালী গোৱাক ৩-২ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে ১৮ বছৰৰ পিছত ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ অসম ফুটবল দলে যোগ্যতা অৰ্জন কৰিছে।

০০০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত ৰাজ্যৰ বিভিন্ন স্থানত এইবাৰ ৭০ সংখ্যক লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা চলি আছে। ক্লাষ্টাৰ পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজি কেইবাখনো খেল আয়োজিত হয়। মৰিগাঁও মণ্ডলৰ খেলত জিলাখনৰ ৮টা দলে অংশগ্ৰহণ কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজি অনুষ্ঠিত উদ্বোধনী খেলখনত ভুৰবন্ধা নৱজ্যোতি সংঘই গড়মাৰী

ৰাইনোজ ক্লাবক ৪-১ গ'লত পৰাস্ত কৰে। যোৰহাটত অনুষ্ঠিত খেলখনত ৰঞ্জিত ক্লাব আৰু ৰমাকান্ত ফুটবল ক্লাবে গ'লশূন্য ড্ৰ' খেলি পইণ্ট ভগাই লয়। আনহাতে বৰাক মণ্ডলৰ কাছাৰত অনুষ্ঠিত খেলত ৰংমেই নাগা যুথ ক্লাবে কল্লোল সংঘক ৩-১ গ'লত পৰাস্ত কৰে। আন এখন খেলত মুনলাইট ক্লাবে ইউ এছ্ এ উধাৰবন্দক ৭-২ গ'লত পৰাস্ত কৰে। হাইলাকান্দিত অনুষ্ঠিত খেলত এন জি অ' পেৰাডাইজ আৰু ভাতীৰকোপা ফুটবল ক্লাবে পইণ্ট ভগাই লয়। আন এখন খেলত ৰ'য়েল এছ'চিয়েচনে ৰংমেই নাগা ডব্লিউ এ-ক ৯-১ গ'লত পৰাস্ত কৰে। কাৰ্বি আংলঙত অনুষ্ঠিত খেলত য়ং গানছ ফুটবল ক্লাবে ৰেংমা ব্ৰাডাৰ্ছক ৪-২ আৰু নমাটি ফুটবল ক্লাবে কাছা ক্লাবক ৪-৩ গ'লত পৰাস্ত কৰে। শ্ৰীভূমিত অনুষ্ঠিত খেলত য়ং মেন চিটীয়ে বনমালী স্পৰ্টৰ্ছ ক্লাবক ৪-২ গ'লত পৰাজিত কৰে। আন এখন খেলত ৰিয়েল মিলান আৰু অপৰাজেয় ক্লাবে গ'ল শূন্য ড্ৰ' খেলে। উত্তৰ অসম মণ্ডলৰ খেলসমূহ আজি শোণিতপুৰ, দৰং, লখিমপুৰ, ধেমাজি আৰু বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হয়। শোণিতপুৰত অনুষ্ঠিত খেলত সোণাভিল ক্লাবে টেলেৰিয়া স্পৰ্টৰ্ছ ক্লাবক ২-০ আৰু টৌভাংগা ফুটবল ক্লাবে এ টি জি টি ইউনাইটেডক ৩-০ গ'লত পৰাস্ত কৰে। দৰঙত অনুষ্ঠিত খেলত কেহুতলি বাংগ্ৰী ক্লাবে উত্তৰ মঙলদৈ ক্লাবক ২-০ গ'লত পৰাস্ত কৰে।

ooooo

সমাপ্ত